**অসম বিধান সভাৰ অধিবেশন - ২০২৬**
**মৌখিক প্ৰশ্ন নং: ২০৬**
**উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬ ইং**

বিষয়: অবৈধ বেদখলকাৰীৰ সম্পৰ্কে

ডঃ পৰমানন্দ ৰাজবংশী:

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ছিপাঝাৰ সমষ্টিৰ গৰুখুঁটি গাঁও পঞ্চায়তৰ কিমান বিঘা মাটি বেদখলমুক্ত কৰি গৰুখুঁটি কৃষি প্ৰকল্পক আবন্টন দিয়া হৈছে?

(খ) ইয়াৰ পূব সীমাত ছিপাঝাৰ সমষ্টিত কিমান বিঘা চৰকাৰী মাটি আছে? সেই এলেকাত থকা গৰুখুঁটি গাঁও পঞ্চায়তৰ কাৰ্যালয়টোৰ মাটিখিনি পঞ্চায়তৰ নামত আছে নে? তাত থকা সকলোবোৰ মাটিৰ প্ৰকাৰ আৰু পৰিমাণ তথা সেই মাটি বেদখলকাৰীসকল কোন কোন? কিয় সেই বিশাল অঞ্চল এই মুহূৰ্তলৈকে বেদখলমুক্ত কৰা নাই? সবিশেষ জনাওক।

(গ) গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ দক্ষিণ পশ্চিম আৰু উত্তৰ দাঁতিত থকা মাটিৰ পৰিমাণ, প্ৰকাৰ আৰু সেই ঠাইৰ সকলো মাটি আৰু বেদখলকাৰীৰ সবিশেষ তথ্য সদনত দাখিল কৰিব।

(ঘ) ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত মাৰৈ দুমুনিচকী গাঁও পঞ্চায়তৰ অন্তৰ্গত নাৰিকলি ৰাজহ গাঁৱৰ ঐতিহ্যমণ্ডিত নাৰিকলি শিৱ মন্দিৰৰ আশে পাশে থকা চৰকাৰী ভূমিৰ পৰিমাণ কিমান? তাত হৈ থকা অবৈধ বেদখলকাৰীৰ ওপৰত কিবা চৰকাৰী অনুসন্ধানমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

## <u>উত্তৰ</u>

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত দেৱে উত্তৰ দিছে-

জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি -

(ক) ছিপাঝাৰ সমষ্টিৰ গৰুখুঁটি গাওঁপঞ্চায়তৰ কোনো মাটি বেদখলমুক্ত কৰি গৰুখুঁটি কৃষি প্ৰকল্পক আবন্টন দিয়া হোৱা নাই।

(খ) গৰুখুঁটি প্ৰকল্পৰ পূব সীমাত ছিপাঝাৰ সমষ্টিৰ কোনো চৰকাৰী মাটি নাই, এই সীমাত মঙ্গলদৈ ৰাজহ চক্ৰ অন্তৰ্গত চাৰিখন গাঁও ক্ৰমে, ১) অপৰীয়া ২) ভোকেলিকান্দা ৩) ১ নং বৌমাৰি আৰু ৪) ১ নং ঘাটৰ আগ আছে। এই গাঁও কেইখনৰ ভিতৰত অপৰীয়া গাঁওখন ৫১ নং দলগাঁও বিধান সভা সমষ্টিৰ অন্তৰ্গত আৰু বাকী ৩ খন গাওঁ ৫০ নং মঙ্গলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত।

এই গাঁও কেইখনৰ চৰকাৰী মাটিৰ পৰিমাণ তলত দিয়া হল-

**১) অপৰীয়া - ৫১৫১ বিঘা ১৫ লেচা**
**২) ভোকেলিকান্দা- ২৭৯৩ বিঘা ২ কঠা**
**৩) ১ নং বৌমাৰি - ১৫৩৭ বিঘা ৩ কঠা ১৫ লেচা**

**৪) ১ নং ঘাটৰ আগ- ৪৫০ বিঘা ১ কঠা ১৯ লেচা**

গৰুখুঁটি গাঁওপঞ্চায়তৰ কাৰ্য্যালয়ৰ মাটিখিনি পঞ্চায়তৰ নামত নাই যদিও কাৰ্য্যালয়ে বৰ্তমান ব্যৱহাৰ কৰি থকা ফিল্ডখন পূৰ্বতে পঞ্চায়তে আৱণ্টন পোৱা দেখা যায়।

তাত থকা প্ৰায়বোৰ মাটি আৱণ্টিত অথবা ব্যক্তি বিশেষে ম্যাদী পট্টা থকা দেখা যায়।

বেদখলমুক্ত কৰিবলৈ ইতিমধ্যে ৭ টা পৰিয়ালক জাননী প্ৰদান কৰা হৈছে আৰু পৰ্য্যায়ক্ৰমে ইয়াৰ ব্যৱস্থা লোৱা হব ।

(গ) গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ দক্ষিণ -পশ্চিম আৰু উত্তৰ দাঁতিৰ প্ৰায় **২০,০০০ বিঘা** মাটি চৰকাৰী গৰাবাদ । উক্ত অঞ্চলত প্ৰায় **৫০০০** পৰিয়ালে ঘৰ-দুৱাৰ লগতে খেতি বাতি কৰি বেদখল কৰি থকা দেখা যায়। লগতে দুটা সমবায় ক্ৰমে মলুৱাচৰ সমবায় আৰু শ্ৰীশ্ৰী মা লক্ষ্মী সমবায়ে উক্ত অঞ্চলত খেতি বাতি কৰি থকাও দেখা যায়। উক্ত সমবায় দুটাৰ নামত সেই অঞ্চলৰে **২৫০ বিঘা** মাটি আৱণ্টনৰ বাবে প্ৰস্তুতি লৈ থকা হৈছে।

(ঘ) ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত নাৰিকলি শিৱ মন্দিৰৰ আশে-পাশে থকা চৰকাৰী ভূমিৰ পৰিমাণ প্ৰায় **৭ বিঘা-২কঠা-১০ লেচা** ।

তাঁত থকা অবৈধ বেদখলকাৰীৰ ওপৰত কোনো ধৰণৰ চৰকাৰী অনুসন্ধানমূলক ব্যৱস্থা এই পৰ্যন্ত লোৱা হোৱা নাই।